জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮৪৭/২০২০

<u>বৰাক উপত্যকাৰ তিনিখন জিলাৰ উন্নয়নমূলক কাম-কাজৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

# চৰকাৰী আঁচনিসমূহৰ সফল ৰূপায়ণৰ বাবে জনসাধাৰণক আস্থা আৰু বিশ্বাসত লৈ তেওঁলোকক ইয়াৰ অংশীদাৰ কৰি তুলিবলৈ উপায়ুক্তসকলক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২৩ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি হাইলাকান্দি জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত হাইলাকান্দি, কাছাৰ আৰু কৰিমগঞ্জ জিলাৰ উপায়ুক্তসকলৰ সৈতে জিলা কেইখনত ৰূপায়িত হৈ থকা বিভিন্ন আঁচনি আৰু প্ৰকল্পৰ পৰ্যালোচনা কৰে। এই পৰ্যালোচনা কালত মুখ্যমন্ত্ৰীয়ে জিলা কেইখনত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনিসমূহৰ ৰূপায়ণ ক্ষিপ্ৰ কৰি তুলিবলৈ নিৰ্দেশ দিয়ে। জিলাসমূহৰ বিভিন্ন অঞ্চল সঘনাই পৰিদৰ্শন কৰি জনসাধাৰণৰ সৈতে মত-বিনিময় কৰিবলৈ আৰু সু-প্ৰশাসনৰ সুফল জনসাধাৰণক প্ৰদানৰ বাবে নিষ্ঠাৰে কাম কৰিবলৈ তেওঁ উপায়ুক্তসকলক নিৰ্দেশ দিয়ে।

সৌভাগ্য আঁচনিৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে জনসাধাৰণৰ বাবে অবিৰত বিদ্যুৎ যোগান সুনিশ্চিত কৰিবলৈ এপিডিচিএলৰ বিষয়ববীয়াসকলক নিৰ্দেশ দিয়ে। বৰাক উপত্যকাৰ এই জিলাকেইখনত গ্ৰাম্য বৈদ্যুতিকৰণৰ কাম যুদ্ধকালীন তৎপৰতাৰে সম্পূৰ্ণ কৰি তোলাৰ পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে উপায়ুক্তসকলক নিৰ্দেশ দিয়ে।

জলজীৱন মিশ্যনৰ অধীনত জনসাধাৰণক ফ্লৰাইড আৰু আৰ্চেনিক মুক্ত বিশুদ্ধ খোৱাপানী যোগান সুনিশ্চিত কৰা, স্বচ্ছভাৰত অভিযানৰ অধীনত প্ৰতিটো পৰিয়ালৰ বাবে শৌচাগাৰ নিৰ্মাণৰ কাম দ্ৰুত কৰি তোলা, ২০২২ চনৰ ভিতৰত সকলোৰে বাবে গৃহ প্ৰদানৰ লক্ষ্যত উপনীত হ'বলৈ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ কাম-কাজ ক্ষিপ্ৰতৰ কৰি তোলাৰ পদক্ষেপ ল'বলৈও তেওঁ উপায়ুক্তসকলক নিৰ্দেশ দিয়ে।

বনভূমিত বসবাস কৰা লোকসকলৰ বাবে চাৰিও দিশৰ সেউজ আৱৰণৰ সৈতে এক আদৰ্শ গাঁও নিৰ্মাণ কৰি তোলাৰ পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰী সোণোৱালে হাইলাকান্দিৰ উপায়ক্ত মেঘনিধি দাহালক নিৰ্দেশ দিয়ে, যাতে ই অন্যান্য জিলাসমূহৰ বাবেও এক আদৰ্শত পৰিণত হয়। চৰকাৰী আঁচনিসমূহৰ সফল ৰূপায়ণৰ বাবে জনসাধাৰণক আস্থা আৰু বিশ্বাসত লৈ তেওঁলোকক ইয়াৰ অংশীদাৰ কৰি তুলিবলৈ মুখ্যমন্ত্ৰীয়ে উপায়ুক্তসকলক নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত স্বচ্ছতা আৰু দায়বদ্ধতা সুনিশ্চিতকৰণৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে।

পৰ্যালোচনা কালত মুখ্যমন্ত্ৰীয়ে জিলা তিনিখনত ৰূপায়িত হৈ থকা ৰাষ্ট্ৰীয় ঘাইপথৰ কাম-কাজৰ পৰ্যালোচনা কৰাৰ লগতে ধলেশ্বৰীৰ পৰা মিজোৰাম সীমান্তৰ ভৈৰবীলৈকে থকা পথছোৱাৰ সাম্প্ৰতিক অৱস্থাৰ বুজ লয়।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

আজিৰ বৈঠকতে মুখ্যমন্ত্ৰীয়ে তিনিওখন জিলাৰ আইন শৃংখলা পৰিস্থিতিৰ পৰ্যালোচনা কৰে। তেওঁ লগতে ভাৰত-বাংলাদেশ সীমান্তৰ লাঠিটিলা ডুমাবাৰীত নিৰ্মীয়মান স্মাৰ্ট ফেন্সিঙৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। ড্ৰাগছ সৰবৰাহকাৰীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবেও মুখ্যমন্ত্ৰীয়ে উপত্যকাটোৰ তিনিওখন জিলাৰ আৰক্ষী অধীক্ষকসকলৰ লগতে দক্ষিণ সংমণ্ডলৰ উপ-আৰক্ষী মহাপৰিদৰ্শক গৰাকীক নিৰ্দেশ দিয়ে।

এই পৰ্যালোচনা বৈঠকত পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, বিধায়কদ্বয় চুজামুদ্দিন লস্কৰ আৰু নিজামুদ্দিন চৌধুৰী, জিলা উন্নয়ন আয়ুক্তসকল, অতিৰিক্ত উপায়ুক্তসকল, জিলা পৰিষদৰ মুখ্যকাৰ্যবাহী বিষয়াসকলৰ লগতে তিনিওখন জিলাৰ বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**ছাঃনিঃ / প্ৰঃকুঃবঃ**
**২৩/১২/২০২০**